# বিদেশ মন্ত্ৰীৰ কিংডম অৱ বাহৰেইন ভ্ৰমণ(৬চেপ্তেম্বৰ,২০১৪)

৩ চেপ্তেম্বৰ ২০১৪

১. কেন্দ্ৰীয় বিদেশ পৰিক্ৰমা আৰু প্ৰবাসী ভাৰতীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী মতী সুষমা স্বৰাজে ৬ চেপ্তেম্বৰ ২০১৪ তাৰিখে কিংডম অৱ বাহৰেইন ভ্ৰমণ কৰিব ।এইয়া হব  তেওঁৰ বাহৰেইন আৰু পাৰস্য উপকূলীয় দেশ লৈ প্ৰথম চৰকাৰী  ভ্ৰমণ ।তেওঁৰ এই ভ্ৰমণ কালত তেওঁ বাহৰেইনৰ নেতা সকলৰ সৈতে মতবিনিময় কৰিব ।

২.  শ্ৰীমতী সুষমা স্বৰাজে অভাৰচি ভাৰতীয় ফেচিলিটেশ্বন চেন্টাৰৰ (ওআইএফএচ)দ্বাৰা আয়োজিত প্ৰবাসী ভাৰতীয় সকলৰ সন্মিলন এখনৰ উদ্ধোধনী অনুষ্ঠানটো অংশ গ্ৰহণ কৰিব । ওআইএফএচ এক কেন্দ্ৰীয় প্ৰবাসী ভাৰতীয় পৰিক্ৰমা মন্ত্ৰনালয় আৰু ভাৰতত প্ৰবাসী ভাৰতীয় সকলৰ বিনিয়োগৰ উৎসাহ বদ্ধৰ্ধন,ব্যৱসায়ি অংশীদাৰিত্বৰ অৰ্থে আৰু ভাৰতৰ প্ৰদেশ সমুহক প্ৰবাসী ভাৰতীয় সকলৰ বিনিয়োগৰ সুযোগক সমুহক আগবঢোৱাত সহযোগ কৰাৰ বাবে কনফেডাৰেশ্বন অৱ ইন্ডিয়ান ইণ্ডাষ্ট্ৰীৰ মিলিত ৰাজহুৱা আৰু ব্যক্তিগত তৎতপৰতা ।

৩. নিয়মিত উষ্চ পৰ্যায়ৰ ৰাজনৈতিক বিনিময় আৰু নিকটতম ব্যক্তিৰ সৈতে ব্যক্তিৰ সম্পৰ্ক দ্বাৰা চিন্হিত ভাৰত আৰু বাহৰেইনে এক সৌজন্যমুলক আৰু বন্ধুত্বৰ সম্বন্ধ উপভোগ কৰি আহিছে । মহামান্য মহাৰাজ হামিদ বিন ইছা অল খালিফা ২০১৪ ৰ ফেব্ৰুৱাৰী মাহত ভাৰতলৈ প্ৰথম বাৰৰ বাবে আনুষ্ঠানিক ভ্ৰমণলৈ আহিছিল ।

৪.২০১৩-১৪ চনত বাহৰেইন আৰু ভাৰতৰ মাজত সম্পন্ন হোৱা দ্বিপাক্ষীক বাণিজ্যই ১.৩ বিলিয়ন আমেৰিকান ডলাৰ অতিক্ৰম কৰিছে । পাৰস্য উপকূলৰ দেশ সমূহৰ ভিতৰত বাহৰেইন ভাৰতৰ এক অতি গুৰুত্বপূৰ্ণ বাণিজ্যিক অংশীদাৰ ।বাহৰেইনৰ প্ৰগতিৰ ক্ষেত্ৰত ৩৫০,০০০ ত কৈও অধিক ভাৰতীয় নাগৰিকৰ কৰ্ম অৱদান আছে । বাহৰেইনৰ বিকাশত তেওঁলোকৰ ইতিবাচক আৰু অতি প্ৰশংসনিয় অৱদানেই আমাৰ অদ্বিতীয় দ্বিপাক্ষীক অংশদাৰিত্বৰ এক লেখত লবলগিয়া ঘোষণা ।

৫. পাৰস্য উপকূলীয় অঞ্চলত যি প্ৰায় সাত মিলিয়ন ভাৰতীয়ক আতিথ্য আগবঢ়াইছে সেই অঞ্চলটোৰ সুৰক্ষা আৰু স্থিৰতা বিষয়টোত ভাৰতৰ প্ৰচুৰ অংশীদাৰ হৈ আছে ।ভাৰতৰ প্ৰয়োজনীয় দুই তৃতীয়া অংশ খাৰুলা তেল এই অঞ্চলটোয়ে পুৰা কৰি আহিছে আৰু এই অঞ্চলটো আমাৰ বৃহৎতম বাণিজ্যিক অংশীদাৰ ।

নতুন দিল্লী

৩ চেপ্তেম্বৰ ২০১৪